পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 427 দিশপুৰ, শুক্ৰবাৰ, 13 জুন, 2025, 23 জেঠ, 1947 (শক)

No. 427 Dispur, Friday, 13th June, 2025, 23rd Jaistha, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 13th June, 2025

**No. LGL.236/2017/49.**– The following Act of the Assam Legislative Assembly which received the assent of the Governor of Assam on 11th June, 2025 is hereby published for general information.

## ASSAM ACT NO. XXVII OF 2025

**(Received the assent of the Hon'ble Governor of Assam on 11th June, 2025)**

## THE ASSAM PANCHAYAT (AMENDMENT) ACT, 2025

3604891/2025/PARL.AFFAIRS-PAD



# AN
# ACT

further to amend the Assam Panchayat Act, 1994.

Preamble

Whereas it is expedient further to amend the Assam Panchayat Act, 1994, hereinafter referred to as the principal Act, in the manner hereinafter appearing; **Assam Act No. XVIII of 1994**

It is hereby enacted in the Seventy-sixth Year of the Republic of India as follows :-

Short title, extent and commencement

1. (1) This Act may be called the Assam Panchayat (Amendment) Act, 2025.

(2) It shall have the like extent as the principal Act.

(3) It shall come into force at once.

Amendment of section 105

2. In the principal Act, for section 105, the following shall be substituted, namely:-

"Settlement of Haats by Gaon Panchayats, Anchalik Panchayats and Zilla Parishads

105. (1) All Haats within the territorial jurisdiction of the Gaon Panchayat or Anchalik Panchayat or Zilla Parishad shall be settled in the manner as may be prescribed for a period coinciding with and not exceeding one Panchayat Year by inviting tenders at the office of the respective Gaon Panchayat or Anchalik Panchayat or Zilla Parishad by its President.

(2) Detailed procedure for inviting and submission of such tenders shall be such as may be prescribed.

(3) The powers of examination and final acceptance of such tenders shall be vested in the Standing Committees referred to in sub-section (1) of section 22, clause (a) of sub-section (1) of section 52 and clause (a) of section 81 respectively for the Gaon Panchayats, Anchalik Panchayats and Zilla Parishads.

(4) In case of any dispute in settlement, the concerned Gaon Panchayats and Anchalik Panchayats may refer such cases to the Zilla Parishad and in case of dispute in settlement in the Zilla Parishads, such cases may be referred to the Government whose decision in this regard shall be final.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

(5) Failure to settle any Haat for want of adequate value, the concerned Gaon Panchayat, Anchalik Panchayat and Zilla Parishad, as may be decided by the next higher body, may be entrusted with the direct management of such Haat by the respective Gaon Panchayat, Anchalik Panchayat and Zilla Parishad.

(6) (i) All sale proceeds of Haats of the Gaon Panchayat shall be deposited in the Gaon Panchayat fund and distributed in the manner hereinafter provided:-

(a) an amount equivalent to twenty percent of the total sale proceeds of Haats shall be made over to the Zilla Parishad funds;

(b) an amount equivalent to forty percent shall be made over to the Anchalik Panchayat Fund ;

(c) remaining forty percent of the sale proceeds of Haats shall be retained by the Gaon Panchayat.

(ii) All sale proceeds of haats of the Anchalik Panchayat shall be deposited in the Anchalik Panchayat fund and distributed in the manner hereinafter provided:-

(a) an amount equivalent to twenty percent of the total sale proceeds of Haats, shall be made over to the Zilla Parishad funds;

(b) forty percent of the sale proceeds of the Haats shall be equally distributed to all the Gaon Panchayats under the Anchalik Panchayat ;and

(c) remaining forty percent of the sale proceeds of Haats shall be retained by the Anchalik Panchayat.

(iii) All sale proceeds of haats of the Zilla Parishad shall be deposited in the Zilla Parishad fund and distributed in the manner hereinafter provided:-

(a) an amount equivalent to forty percent of the total sale proceeds of Haats shall be distributed to all the Anchalik Panchayats under the Zilla Parishad;



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(b) forty percent shall be equally distributed to all the Gaon Panchayat under the Zilla Parishad; and

(c) remaining twenty percent of the sale proceeds of Haats shall be retained by the Zilla Parishad.

(7) (i) Notwithstanding anything in any law for the time being in force, the State Government shall transfer such Government Haats which has settlement value of less than Rupees 5(Five) Lakh in a year to the Gaon Panchayat within the jurisdiction of which the Haat is situated.

(ii) The State Government shall transfer such Government Haat which has settlement value of rupees 5(Five) Lakh upto rupees 10(Ten) Lakh in a year to the Anchalik Panchayat within the jurisdiction of which the Haat is situated.

(iii) The Haats falling under the jurisdiction of Zilla Parishad with a yearly settlement value of more than Rupees 10(Ten) lakh shall be settled by the Zilla Parishad concerned for a period coinciding with and not exceeding one Panchayat Year in the manner as may be prescribed. The powers of examination and final acceptance of such tenders shall be vested in the Standing Committee as under clause (a) of sub-section (1) of section 81:

Provided that a transfer under this sub-section above, shall be given effect from the following Panchayat Year of such income."

Amendment of section 106

3. In the principal Act, for section 106, the following shall be substituted, namely:-

"Settlement of Ghats by Gaon Panchayats, Anchalik Panchayats and Zilla Parishads

106. (1) All public Ghats, other than Government Ghats within the territorial jurisdiction of the Gaon Panchayat or Anchalik Panchayat or Zilla Parishad shall be settled in the manner as may be prescribed for a period coinciding with and not exceeding one Panchayat Year by inviting tenders at the office of the respective Gaon Panchayat or Anchalik Panchayat or Zilla Parishad by its President.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

(2) Detailed procedures for inviting and submission of such tenders shall be such as may be prescribed by the Government.

(3) The powers of examination and final acceptance of such tenders shall be vested in the Standing Committees referred to in sub-section (1) of section 22, clause (a) of sub-section (1) of section 52 and clause (a) of section 81 respectively for the Gaon Panchayats, Anchalik Panchayats and Zilla Parishads.

(4) In case of any dispute in settlement, the concerned Gaon Panchayats and Anchalik Panchayats may refer such cases to the Zilla Parishad and in case of dispute in settlement in the Zilla Parishads, such cases may be referred to the Government whose decision in this regard shall be final:

Provided that the Ghats falling under more than one Gaon Panchayat shall be settled by the concerned Anchalik Panchayat:

Provided further that the Ghats falling under more than one Anchalik Panchayats, the settlement shall be conducted by the Anchalik Panchayats by rotation every year:

Provided further also that in case of Ghats falling under two districts, the settlement shall be done alternatively by either districts.

(5) Failure to settle any Ghat for want of adequate value, the concerned Gaon Panchayat, Anchalik Panchayat and Zilla Parishad, as may be decided by the next higher body, may be entrusted with the direct management of such Ghat by the respective Gaon Panchayat, Anchalik Panchayat and Zilla Parishad.

(6) (i) All sale proceeds of Ghats of the Gaon Panchayat shall be deposited in the Gaon Panchayat fund and distributed in the manner hereinafter provided:-

(a) an amount equivalent to twenty percent of the total sale proceeds of Ghats, shall be made over to the Zilla Parishad funds;

(b) forty percent shall be made over to the Anchalik Panchayat Fund; and



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(c) remaining forty percent of the sale proceeds of Ghats shall be retained by the Gaon Panchayat.

(ii) All sale proceeds of Ghats of the Anchalik Panchayat shall be deposited in the Anchalik Panchayat fund and distributed in the manner hereinafter provided:-

(a) an amount equivalent to twenty percent of the total sale proceeds of Ghats, shall be made over to the Zilla Parishad funds;

(b) forty percent shall be equally distributed to all the Gaon Panchayats under the Anchalik Panchayat; and

(c) remaining forty percent of the sale proceeds of Ghats shall be retained by the Anchalik Panchayat:

Provided that all sale proceeds of Ghats shall be deposited in the Anchalik Panchayat Fund and the proceeds accrued from the inter-Anchalik Panchayat public ferries, if there be any, shall be equitably distributed to the Anchalik Panchayats concerned and thereafter the proceeds remaining in an Anchalik Panchayat Fund shall be distributed in the manner provided hereinabove:

Provided further that the Anchalik Panchayat shall meet all expenses, if there be any, for the maintenance and improvement of the Ghats from out of the forty percent share of sale proceeds of public ferries received by it:

Provided further that if any Anchalik Panchayat fails to make improvement of or neglect to maintain the portion of the inter-Anchalik Panchayat Public ferry falling within the jurisdiction of the Anchalik Panchayat, such expenditure incurred for maintenance and improvement shall be deducted from the share of the defaulting Anchalik Panchayat.

(iii) All sale proceeds of the Ghats of the Zilla Parishad shall be deposited in the Zilla Parishad fund and distributed in the manner hereinafter provided:



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(a) an amount equivalent to forty percent of the total sale proceeds of Ghats shall be distributed to all the Anchalik Panchayats under the Zilla Parishad;

(b) forty percent shall be equally distributed to all the Gaon Panchayat under the Zilla Parishad; and

(c) remaining twenty percent of the sale proceeds of Ghats shall be retained by the Zilla Parishad.

(7) (i) Notwithstanding anything in any law for the time being in force, the State Government shall transfer such Government Ghats which has settlement value of less than Rupees 5(Five) Lakh in a year to the Gaon Panchayat within the jurisdiction of which the Ghat is situated.

(ii) The State Government shall transfer such Government Ghat which has settlement value of Rupees 5(Five) Lakh upto Rupees 10(Ten) Lakh in a year to the Anchalik Panchayat within the jurisdiction of which the Ghat is situated.

(iii) The Ghats falling under the jurisdiction of Zilla Parishad with the yearly settlement value of more than Rupees 10(Ten) lakh shall be settled by the Zilla Parishad concerned for a period coinciding with and not exceeding one Panchayat Year in the manner as may be prescribed. The powers of examination and final acceptance of such tenders shall be vested in the Standing Committee as under clause (a) of sub-section (1) of section 81:

Provided that a transfer under this sub-section above shall be given effect from the following Panchayat Year of such income."

Amendment of section 108

4. In the principal Act, for section 108, the following shall be substituted, namely:-

"Settlement of Fisheries by Gaon Panchayats, Anchalik Panchayats and Zilla Parishads

108. (1) All Fisheries within the territorial jurisdiction of the Gaon Panchayat or Anchalik Panchayat or Zilla Parishad shall be settled in the manner as may be prescribed for a period coinciding with and not exceeding one Panchayat Year by inviting tenders at the office of the respective Gaon Panchayat or Anchalik Panchayat or Zilla Parishad by its President.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

(2) Detailed procedure for inviting and submission of such tenders shall be such as may be prescribed.

(3) The powers of examination and final acceptance of such tender shall be vested in the Standing Committee referred to in sub-section (1) of section 22, clause (a) of sub-section (1) of section 52 and clause (a) of section 81 respectively for the Gaon Panchayats, Anchalik Panchayats and Zilla Parishads.

(4) In case of any dispute in settlement, the concerned Gaon Panchayats and Anchalik Panchayats may refer such cases to the Zilla Parishad and in case of dispute in settlement in the Zilla Parishads, such cases may be referred to the Government whose decision in this regard shall be final:

Provided that as and when deemed necessary, the Government may intervene in the matter of a particular settlement and its decision in this regard shall be final.

(5) Failure to settle any Fishery for want of adequate value, the concerned Gaon Panchayat, Anchalik Panchayat and Zilla Parishad, as may be decided by the next higher body, may be entrusted with the direct management of such Fishery by the respective Gaon Panchayat, Anchalik Panchayat and Zilla Parishad.

(6) (i) All sale proceeds of the Fisheries of the Gaon Panchayat shall be deposited in the Gaon Panchayat fund and distributed in the manner hereinafter provided:-

(a) an amount equivalent to twenty percent of the total sale proceeds of Fisheries, shall be made over to the Zilla Parishad funds;

(b) forty percent shall be made over to the Anchalik Panchayat Fund; and

(c) remaining forty percent of the sale proceeds of Fisheries shall be retained by the Gaon Panchayat.

(ii) All sale proceeds of the Fisheries of the Anchalik Panchayat shall be deposited in the Anchalik Panchayat fund and distributed in the manner hereinafter provided:-



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(a) an amount equivalent to twenty percent of the total sale proceeds of Fisheries, shall be made over to the Zilla Parishad funds;

(b) forty percent shall be equally distributed to all the Gaon Panchayats under the Anchalik Panchayat; and

(c) remaining forty percent of the sale proceeds of Fisheries shall be retained by the Anchalik Panchayat:

(iii) All sale proceeds of the Fisheries of the Zilla Parishad shall be deposited in the Zilla Parishad fund and distributed in the manner hereinafter provided:-

(a) an amount equivalent to forty percent of the total sale proceeds of Fisheries shall be distributed to all the Anchalik Panchayats under the Zilla Parishad;

(b) forty percent shall be equally distributed to all the Gaon Panchayat under the Zilla Parishad; and

(c) remaining twenty percent of the sale proceeds of Fisheries shall be retained by the Zilla Parishad."

(7) (i) Notwithstanding anything in any law for the time being in force, the State Government shall transfer such Government Fisheries which has settlement value of less than Rupees 5(Five) Lakh in a year to the Gaon Panchayat within the jurisdiction of which the Fisheries is situated.

(ii) The State Government shall transfer such Government Fisheries which has settlement value of Rupees 5(Five) Lakh upto Rupees 10(Ten) Lakh in a year to the Anchalik Panchayat within the jurisdiction of which the Fishery is situated.

(iii) The Fisheries falling under the jurisdiction of Zilla Parishad with a yearly settlement value of more than Rupees 10(Ten) lakh shall be settled by the Zilla Parishad concerned for a period coinciding with and not exceeding one Panchayat year in the manner as may be prescribed. The powers of examination and final acceptance of such



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



tenders shall be vested in the Standing Committee as under clause (a) of sub-section (1) of section 81:

Provided that a transfer under this sub-section above shall be given effect from the following Panchayat Year of such income."

Amendment of section 109

5. In the principal Act, for section 109, the following shall be substituted, namely:-

"Settlement of Animal Pounds by Gaon Panchayats, Anchalik Panchayats and Zilla Parishads

109. (1) All Pounds within the territorial jurisdiction of the Gaon Panchayat or Anchalik Panchayat or Zilla Parishad shall be settled in the manner as may be prescribed for a period coinciding with and not exceeding one Panchayat Year by inviting tenders at the office of the respective Gaon Panchayat or Anchalik Panchayat or Zilla Parishad by its President.

(2) Detailed procedure for inviting and submission of such tenders shall be such as may be prescribed.

(3) The powers of examination and final acceptance of such tenders shall be vested in the Standing Committees referred to in sub-section (1) of section 22, clause (a) of sub-section (1) of section 52 and clause (a) of section 81 respectively for the Gaon Panchayats, Anchalik Panchayats and Zilla Parishads.

(4) In case of any dispute in settlement, the concerned Gaon Panchayats and Anchalik Panchayats may refer such cases to the Zilla Parishad and in case of dispute in settlement in the Zilla Parishads, such cases may be referred to the Government whose decision in this regard shall be final:

Provided that as and when deemed necessary, the Government may intervene in the matter of a particular settlement and its decision in this regard shall be final.

(5) Failure to settle any Pound for want of adequate value, the concerned Gaon Panchayat, Anchalik Panchayat and Zilla Parishad, as may be decided by the next higher body, may be entrusted with the direct management of such Pound by the respective Gaon Panchayat, Anchalik Panchayat and Zilla Parishad.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

(6) (i) All sale proceeds of Pounds of the Gaon Panchayat shall be deposited in the Gaon Panchayat fund and distributed in the manner as may be hereinafter provided:-

(a) an amount equivalent to twenty percent of the total sale proceeds of Pounds, shall be made over to the Zilla Parishad funds;

(b) forty percent shall be made over to the Anchalik Panchayat Fund; and

(c) remaining forty percent of the sale proceeds of Pounds shall be retained by the Gaon Panchayat.

(ii) All sale proceeds of Pounds of the Anchalik Panchayat shall be deposited in the Anchalik Panchayat fund and distributed in the manner hereinafter provided:-

(a) an amount equivalent to twenty percent of the total sale proceeds of Pounds, shall be made over to the Zilla Parishad funds;

(b) forty percent shall be equally distributed to all the Gaon Panchayats under the Anchalik Panchayat; and

(c) remaining forty percent of the sale proceeds of Pounds shall be retained by the Anchalik Panchayat.

(iii) All sale proceeds of Pounds of the Zilla Parishad shall be deposited in the Zilla Parishad fund and distributed in the manner hereinafter provided:-

(a) an amount equivalent to forty percent of the total sale proceeds of Pounds shall be distributed to all the Anchalik Panchayats under the Zilla Parishad;

(b) forty percent shall be equally distributed to all the Gaon Panchayat under the Zilla Parishad; and

(c) remaining twenty percent of the sale proceeds of Pounds shall be retained by the Zilla Parishad.

(7) (i) Notwithstanding anything in any law for the time being in force, the State Government shall transfer such Government Pounds which has settlement



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



value of less than Rupees 5(Five) Lakh in a year to the Gaon Panchayat within the jurisdiction of which the Pound is situated.

(ii) The State Government shall transfer such Government Pound which has settlement value from Rupees 5(Five) Lakh upto Rupees 10(Ten) Lakh in a year to the Anchalik Panchayat within the jurisdiction of which the Pounds is situated.

(iii) The Pounds falling under the jurisdiction of Zilla Parishad with a yearly settlement value of more than Rupees 10(Ten) lakh shall be settled by the Zilla Parishad concerned for a period coinciding with and not exceeding one Panchayat year in the manner as may be prescribed. The powers of examination and final acceptance of such tenders shall be vested in the Standing Committee as under clause (a) of sub-section (1) of section 81:

Provided that a transfer under this sub-section shall be given effect from the following Panchayat Year of such income."

**GEETANJALI DAS SAIKIA,**
Secretary to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



**২০২৫ চনৰ অসম অধিনিয়ম নং ২৭**
**(২০২৫ চনৰ ১১ জুন তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)**

## অসম পঞ্চায়ত (সংশোধন) অধিনিয়ম, ২০২৫

**অধিনিয়ম**
**১৩ জুন, ২০২৫**

অসম পঞ্চায়ত অধিনিয়ম, ১৯৯৪ ক পৰৱৰ্তী সংশোধন কৰিবলৈ এখন অধিনিয়ম।

প্ৰস্তাৱনা — যিহেতু অসম পঞ্চায়ত অধিনিয়ম, ১৯৯৪, মূল অধিনিয়ম বুলি যিখনক ইয়াৰ পিছত অভিহিত কৰা হৈছে , ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে পৰৱৰ্তী সংশোধন কৰাটো কালোচিত : (১৯৯৪ চনৰ অসম অধিনিয়ম নং XVIII)

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত ইয়াক নিম্নলিখিত ধৰণেৰে অধিনিয়মিত কৰা হৈছে :-

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ — ১। (১) এই অধিনিয়মখন অসম পঞ্চায়ত (সংশোধন) অধিনিয়ম, ২০২৫ বুলি অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ মূল অধিনিয়মৰ দৰেই হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলৱৎ হ'ব।

ধাৰা ১০৫ সংশোধন — ২। মূল অধিনিয়মত, ধাৰা ১০৫ ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা :-

"গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদসমূহৰ দ্বাৰা হাটসমূহৰ বন্দৱস্তী — ১০৫। (১) গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ সভাপতিয়ে সংশ্লিষ্ট কাৰ্য্যালয়ত নিবিদা আমন্ত্ৰণৰ জৰিয়তে গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰৰ সকলো হাট যথাবিহিত ধৰণে এক পঞ্চায়ত বৰ্ষৰ অনুৰূপ আৰু অনধিক কালৰ বাবে বন্দৱস্তী কৰিব।

(২) তেনে নিবিদাসমূহ আমন্ত্ৰণ আৰু দাখিলৰ বিস্তৃত কাৰ্য্যপদ্ধতি যথাবিহিতভাৱে হ'ব।

(৩) নিবিদাৰ পৰীক্ষা আৰু গ্ৰহণৰ চূড়ান্ত ক্ষমতা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ বাবে যথাক্ৰমে ধাৰা ২২ ৰ উপ-ধাৰা (১), ধাৰা ৫২ ৰ উপ-ধাৰা (১)ৰ খণ্ড (ক) আৰু ধাৰা ৮১ ৰ খণ্ড (ক) ত উল্লেখ কৰা স্থায়ী সমিতিসমূহৰ ওপৰত ন্যস্ত থাকিব।

(৪) বন্দৱস্তীৰ কোনো বিবাদৰ ক্ষেত্ৰত, সংশ্লিষ্ট গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তসমূহে এনে গোচৰ জিলা পৰিষদলৈ প্ৰেৰণ কৰিব পাৰে আৰু জিলা পৰিষদ সমূহত বন্দৱস্তীৰ বিবাদৰ ক্ষেত্ৰত, এনে গোচৰ চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে যাৰ সিদ্ধান্ত এই সন্দৰ্ভত চূড়ান্ত হ'ব।



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(৫) যথোচিত মূল্যৰ অভাৱত কোনো হাটৰ বন্দৱস্তী ব্যৰ্থ হ'লে, পৰৱৰ্ত্তী উচ্চতৰ নিকায়ে নিৰ্ণয় কৰা ধৰণে সংশ্লিষ্ট গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদে তেনে হাটৰ প্ৰত্যক্ষ পৰিচালনা সংশ্লিষ্ট গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ ওপৰত ন্যস্ত থাকিব।

(৬) (i) গাঁও পঞ্চায়তৰ হাটসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন গাঁও পঞ্চায়তৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব:-

(ক) হাটসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ পুঁজিলৈ হস্তান্তৰ কৰিব ;

(খ) চল্লিশ শতাংশ সম পৰিমাণৰ ধন আঞ্চলিক পঞ্চায়ত পুঁজিলৈ হস্তান্তৰ কৰিব ;

(গ) হাটসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট চল্লিশ শতাংশ গাঁও পঞ্চায়তে ৰাখিব।

(ii) আঞ্চলিক পঞ্চায়তৰ হাটসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন আঞ্চলিক পঞ্চায়তৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব :-

(ক) হাটসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ পুঁজিলৈ হস্তান্তৰ কৰিব ;

(খ) হাটসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তৰ অধীনৰ সকলো গাঁও পঞ্চায়তক সমানে বিতৰণ কৰা হ'ব ; আৰু

(গ) হাটসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তে ৰাখিব।

(iii) জিলা পৰিষদৰ হাটসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন জিলা পৰিষদৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব:-

(ক) হাটসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ চল্লিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ অধীনৰ সকলো আঞ্চলিক পঞ্চায়তক বিতৰণ কৰা হ'ব ;

(খ) চল্লিশ শতাংশ জিলা পৰিষদৰ অধীনৰ সকলো গাওঁ পঞ্চায়তক সমানে বিতৰণ কৰা হ'ব ; আৰু

(গ) হাটসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট বিশ শতাংশ জিলা পৰিষদে ৰাখিব।



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(৭) (i) তৎসময়ৰ বাবে বলবৎ থকা কোনো বিধিত যিকোনো কথা থকা স্বত্বেও, ৰাজ্য চৰকাৰে এবছৰত ৫(পাঁচ) লাখ টকাতকৈ কম মূল্যৰ বন্দৱস্তীৰ চৰকাৰী হাটসমূহ সেই গাঁও পঞ্চায়তক হস্তান্তৰ কৰিব, যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত হাটখন অৱস্থিত।

(ii) ৰাজ্য চৰকাৰে তেনেকুৱা চৰকাৰী হাটসমূহ যাৰ এবছৰত ৫(পাঁচ) লাখ টকাৰ পৰা ১০(দহ) লাখ টকা পৰ্য্যন্ত বন্দৱস্তী মূল্যৰ হয় সেই আঞ্চলিক পঞ্চায়তক হস্তান্তৰ কৰিব যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত হাটখন অৱস্থিত।

(iii) জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত বাৰ্ষিক ১০ (দহ) লাখ টকাতকৈ অধিক বন্দৱস্তী মূল্যৰ হাটসমূহ জিলা পৰিষদে যথাবিহিত ধৰণেৰে এক পঞ্চায়ত বৰ্ষৰ অনুৰূপ আৰু অনধিক এক অৱধিৰ বাবে বন্দৱস্তী কৰিব। নিবিদাৰ পৰীক্ষা আৰু গ্ৰহণৰ চূড়ান্ত ক্ষমতা ধাৰা ৮১ৰ উপ-ধাৰা (১)ৰ খণ্ড (ক)-ৰ অধীনত স্থায়ী সমিতিৰ ওপৰত ন্যস্ত থাকিব:

পৰন্তু ওপৰৰ উপ-ধাৰাৰ অধীনৰ এটি হস্তান্তৰ তেনে আয়ৰ পৰৱৰ্তী পঞ্চায়ত বৰ্ষৰ পৰা কাৰ্যকৰী হ'ব।"

ধাৰা ১০৬ ৰ সংশোধন

৩। মূল অধিনিয়মত, ধাৰা ১০৬ ৰ সলনি, নিম্নলিখিত প্ৰতিস্থাপিত হ'ব, যথা:–

"গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদসমূহৰ দ্বাৰা ঘাটসমূহৰ বন্দৱস্তী

১০৬। (১) গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ সভাপতিয়ে সংশ্লিষ্ট কাৰ্য্যালয়ত নিবিদা আমন্ত্ৰণৰ জৰিয়তে গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰৰ চৰকাৰী ঘাটসমূহৰ ব্যতিৰেকে সকলো ৰাজহুৱা ঘাট যথাবিহিত ধৰণে এক পঞ্চায়ত বৰ্ষৰ অনুৰূপ আৰু অনধিক কালৰ বাবে বন্দৱস্তী কৰিব।

(২) তেনে নিবিদাসমূহ আমন্ত্ৰণ আৰু দাখিলৰ বিস্তৃত কাৰ্য্যপদ্ধতি চৰকাৰৰ দ্বাৰা যথাবিহিত কৰাৰ দৰে হ'ব।

(৩) নিবিদাৰ পৰীক্ষা আৰু গ্ৰহণৰ চূড়ান্ত ক্ষমতা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ বাবে যথাক্ৰমে ধাৰা ২২ ৰ উপ-ধাৰা (১), ধাৰা ৫২ ৰ উপ-ধাৰা (১)ৰ খণ্ড (ক) আৰু ধাৰা ৮১ ৰ খণ্ড (ক) ত উল্লেখ কৰা স্থায়ী সমিতিসমূহৰ ওপৰত ন্যস্ত থাকিব।

(৪) বন্দৱস্তীৰ কোনো বিবাদৰ ক্ষেত্ৰত, সংশ্লিষ্ট গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তসমূহে এনে গোচৰ জিলা পৰিষদলৈ প্ৰেৰণ কৰিব পাৰে আৰু জিলা পৰিষদ সমূহত বন্দৱস্তীৰ বিবাদৰ ক্ষেত্ৰত, এনে গোচৰ চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে যাৰ সিদ্ধান্ত এই সন্দৰ্ভত চূড়ান্ত হ'ব:



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

পৰন্তু এখনতকৈ অধিক গাঁও পঞ্চায়তৰ অন্তৰ্গত ঘাটসমূহ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তে বন্দৱস্তী কৰিব:

উপৰন্তু এখনতকৈ অধিক আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ঘাটসমূহৰ ক্ষেত্ৰত, আঞ্চলিক পঞ্চায়তসমূহে প্ৰতি বছৰে আৱৰ্তনৰ দ্বাৰা বন্দৱস্তী পৰিচালনা কৰিব:

অধিকন্তু দুখন জিলাৰ অন্তৰ্গত ঘাটসমূহৰ ক্ষেত্ৰত, জিলা দুখনৰ যিকোনো এখনে বৈকল্পিকভাৱে বন্দৱস্তী কৰিব।

(৫) যথোচিত মূল্যৰ অভাৱত কোনো ঘাটৰ বন্দৱস্তী ব্যৰ্থ হ'লে, পৰৱৰ্ত্তী উচ্চতৰ নিকায়ে নিৰ্ণয় কৰা ধৰণে সংশ্লিষ্ট গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদে তেনে ঘাটৰ প্ৰত্যক্ষ পৰিচালনা সংশ্লিষ্ট গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ ওপৰত ন্যস্ত থাকিব।

(৬) (i) গাঁও পঞ্চায়তৰ ঘাটসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন গাঁও পঞ্চায়তৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব:–

(ক) ঘাটসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ পুঁজিলৈ হস্তান্তৰ কৰিব ;

(খ) চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়ত পুঁজিলৈ হস্তান্তৰ কৰিব ; আৰু

(গ) ঘাটসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট চল্লিশ শতাংশ গাঁও পঞ্চায়তে ৰাখিব।

(ii) আঞ্চলিক পঞ্চায়তৰ হাটসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন আঞ্চলিক পঞ্চায়তৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব :–

(ক) ঘাটসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ পুঁজিলৈ হস্তান্তৰ কৰিব ;

(খ) চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তৰ অধীনৰ সকলো গাঁও পঞ্চায়তক সমানে বিতৰণ কৰা হ'ব ; আৰু

(গ) ঘাটসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তে ৰাখিব:

পৰন্তু ঘাটসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন আঞ্চলিক পঞ্চায়ত পুঁজিত জমা কৰিব আৰু আন্তঃআঞ্চলিক পঞ্চায়তৰ ৰাজহুৱা ফেৰীসমূহৰ পৰা

প্ৰোদ্ভূত সমুৎপন্ন ধন, যদি কিবা থাকে, তেন্তে সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তসমূহক ন্যায়সংগতভাৱে বিতৰণ কৰিব আৰু তাৰ পিছত আঞ্চলিক পঞ্চায়ত পুঁজিৰ অৱশিষ্ট ধন ওপৰত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হ'ব:

উপৰন্তু ৰাজহুৱা পাৰঘাটৰ বিক্ৰীকৃত সমুৎপন্ন ধনৰ চল্লিশ শতাংশ প্ৰাপ্ত অংশৰ পৰা আঞ্চলিক পঞ্চায়তে ঘাটসমূহৰ ৰক্ষণাবেক্ষণ আৰু উন্নীতকৰণৰ বাবে যদি কিবা খৰচ হয়, সকলো বহন কৰিব:

অধিকন্তু যদি কোনো আঞ্চলিক পঞ্চায়তে ইয়াৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত আন্তঃআঞ্চলিক পঞ্চায়ত ৰাজহুৱা পাৰঘাটৰ অংশৰ উন্নীতকৰণত ব্যৰ্থ হয় অথবা ৰক্ষণাবেক্ষণক উপেক্ষা কৰে, ৰক্ষণাবেক্ষণ আৰু উন্নীতকৰণত হোৱা তেনে ব্যয় গাফিলতি কৰা আঞ্চলিক পঞ্চায়তৰ অংশৰ পৰা কৰ্তন কৰিব।

(iii) জিলা পৰিষদৰ ঘাটসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন জিলা পৰিষদৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব:–

(ক) ঘাটসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ চল্লিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ অধীনৰ সকলো আঞ্চলিক পঞ্চায়তক বিতৰণ কৰিব ;

(খ) চল্লিশ শতাংশ জিলা পৰিষদৰ অধীনৰ সকলো গাঁও পঞ্চায়তক সমানে বিতৰণ কৰিব ; আৰু

(গ) ঘাটসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট বিশ শতাংশ জিলা পৰিষদে ৰাখিব।

(৭) (i) তৎসময়ৰ বাবে বলবৎ থকা কোনো বিধিত যিকোনো কথা থকা স্বত্ত্বেও, ৰাজ্য চৰকাৰে এবছৰত ৫(পাঁচ) লাখ টকাতকৈ কম মূল্যৰ বন্দৰস্তীৰ চৰকাৰী ঘাটসমূহ সেই গাঁও পঞ্চায়তক হস্তান্তৰ কৰিব, যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত ঘাটটো অৱস্থিত।

(ii) ৰাজ্য চৰকাৰে তেনেকুৱা চৰকাৰী ঘাটসমূহ যাৰ এবছৰত ৫(পাঁচ) লাখ টকাৰ পৰা ১০(দহ) লাখ টকা পৰ্য্যন্ত বন্দৰস্তী মূল্যৰ হয় সেই আঞ্চলিক পঞ্চায়তক হস্তান্তৰ কৰিব, যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত ঘাটটো অৱস্থিত।



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

(iii) জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত বাৰ্ষিক ১০ (দহ) লাখ টকাতকৈ অধিক বন্দৱস্তী মূল্যৰ ঘাটসমূহ জিলা পৰিষদে যথাবিহিত ধৰণেৰে এক পঞ্চায়ত বৰ্ষৰ অনুৰূপ আৰু অনধিক এক অৱধিৰ বাবে বন্দৱস্তী কৰিব । নিবিদাৰ পৰীক্ষা আৰু গ্ৰহণৰ চূড়ান্ত ক্ষমতা ধাৰা ৮১ৰ উপ-ধাৰা (১)ৰ খণ্ড (ক)-ৰ অধীনৰ স্থায়ী সমিতিৰ ওপৰত ন্যস্ত থাকিব:

পৰন্তু ওপৰৰ উপ-ধাৰাৰ অধীনৰ এটি হস্তান্তৰ তেনে আয়ৰ পৰৱৰ্তী পঞ্চায়ত বৰ্ষৰ পৰা কাৰ্যকৰী হ'ব।"

ধাৰা ১০৮ৰ সংশোধন

৪। মূল অধিনিয়মত, ধাৰা ১০৮ ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:–

"গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ দ্বাৰা মীন মহলসমূহৰ বন্দৱস্তী

১০৮। (১) গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ সভাপতিয়ে সংশ্লিষ্ট কাৰ্য্যালয়ত নিবিদা আমন্ত্ৰণৰ জৰিয়তে গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰৰ সকলো মীনমহল যথাবিহিত ধৰণে এক পঞ্চায়ত বৰ্ষৰ অনুৰূপ আৰু অনধিক কালৰ বাবে বন্দৱস্তী কৰিব।

(২) তেনে নিবিদাসমূহ আমন্ত্ৰণ আৰু দাখিলৰ বিস্তৃত কাৰ্য্যপদ্ধতি যথাবিহিতভাৱে হ'ব।

(৩) নিবিদাৰ পৰীক্ষা আৰু গ্ৰহণৰ চূড়ান্ত ক্ষমতা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ বাবে যথাক্ৰমে ধাৰা ২২ ৰ উপ-ধাৰা (১), ধাৰা ৫২ ৰ উপ-ধাৰা (১)ৰ খণ্ড (ক) আৰু ধাৰা ৮১ ৰ খণ্ড (ক) ত উল্লেখ কৰা স্থায়ী সমিতিসমূহৰ ওপৰত ন্যস্ত থাকিব।

(৪) বন্দৱস্তীৰ কোনো বিবাদৰ ক্ষেত্ৰত, সংশ্লিষ্ট গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তসমূহে এনে গোচৰ জিলা পৰিষদলৈ প্ৰেৰণ কৰিব পাৰে আৰু জিলা পৰিষদ সমূহত বন্দৱস্তীৰ বিবাদৰ ক্ষেত্ৰত, এনে গোচৰ চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে যাৰ সিদ্ধান্ত এই সন্দৰ্ভত চূড়ান্ত হ'ব:

পৰন্তু যেতিয়াই আৱশ্যক বুলি বিবেচিত হয়, তেতিয়া চৰকাৰে কোনো বিশেষ বন্দৱস্তীৰ বিষয়ত হস্তক্ষেপ কৰিব পাৰে আৰু এই সন্দৰ্ভত ইয়াৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

(৫) যথোচিত মূল্যৰ অভাৱত কোনো মীনমহলৰ বন্দৱস্তী ব্যৰ্থ হ'লে, পৰৱৰ্তী উচ্চতৰ নিকায়ে নিৰ্ণয় কৰা ধৰণে সংশ্লিষ্ট গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদে তেনে মীনমহলৰ প্ৰত্যক্ষ পৰিচালনা সংশ্লিষ্ট গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ ওপৰত ন্যস্ত থাকিব।

(৬) (i) গাঁও পঞ্চায়তৰ মীনমহলসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন গাঁও পঞ্চায়তৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব:–



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(ক) মীনমহলসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন, জিলা পৰিষদৰ পুঁজিলৈ হস্তান্তৰ কৰিব ;

(খ) চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়ত পুঁজিলৈ হস্তান্তৰ কৰিব ; আৰু

(গ) মীনমহলসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট চল্লিশ শতাংশ গাওঁ পঞ্চায়তে ৰাখিব ।

(ii) আঞ্চলিক পঞ্চায়তৰ মীনমহলসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন আঞ্চলিক পঞ্চায়তৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব :–

(ক) মীনমহলসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন, জিলা পৰিষদৰ পুঁজিলৈ হস্তান্তৰ কৰিব ;

(খ) চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত সকলো গাঁও পঞ্চায়তক সমানে বিতৰণ কৰিব ; আৰু

(গ) মীনমহলসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তে ৰাখিব :

(iii) জিলা পৰিষদৰ মীনমহলসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন জিলা পৰিষদৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব:–

(ক) মীনমহলসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ চল্লিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ অধীনৰ সকলো আঞ্চলিক পঞ্চায়তক বিতৰণ কৰা হ'ব ;

(খ) চল্লিশ শতাংশ জিলা পৰিষদৰ অধীনৰ সকলো গাওঁ পঞ্চায়তক সমানে বিতৰণ কৰা হ'ব ; আৰু

(গ) মীনমহলসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট বিশ শতাংশ জিলা পৰিষদে ৰাখিব।"

(৭) (i) তৎসময়ৰ বাবে বলবৎ থকা কোনো বিধিত যিকোনো কথা থকা স্বত্বেও, ৰাজ্য চৰকাৰে এবছৰত ৫(পাঁচ) লাখ টকাতকৈ কম মূল্যৰ বন্দৱস্তীৰ চৰকাৰী মীনমহলসমূহ সেই গাঁও পঞ্চায়তক হস্তান্তৰ কৰিব যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত মীনমহলটো অৱস্থিত ।



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(ii) ৰাজ্য চৰকাৰে তেনেকুৱা চৰকাৰী মীনমহলসমূহ যাৰ এবছৰত ৫(পাঁচ) লাখ টকাৰ পৰা ১০(দহ) লাখ টকা পৰ্য্যন্ত বন্দৱস্তী মূল্যৰ হয় সেই আঞ্চলিক পঞ্চায়তক হস্তান্তৰ কৰিব যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত মীনমহলটো অৱস্থিত।

(iii) জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত বাৰ্ষিক ১০ (দহ) লাখ টকাতকৈ অধিক বন্দৱস্তী মূল্যৰ মীনমহলসমূহ জিলা পৰিষদে যথাবিহিত ধৰণেৰে এক পঞ্চায়ত বৰ্ষৰ অনুৰূপ আৰু অনধিক এক অৱধিৰ বাবে বন্দৱস্তী কৰিব । নিবিদাৰ পৰীক্ষা আৰু গ্ৰহণৰ চূড়ান্ত ক্ষমতা ধাৰা ৮১ৰ উপ-ধাৰা (১)ৰ খণ্ড (ক)-ৰ অধীনৰ স্থায়ী সমিতিৰ ওপৰত ন্যস্ত থাকিব:

পৰন্তু ওপৰৰ উপ-ধাৰাৰ অধীনৰ এটি হস্তান্তৰ তেনে আয়ৰ পৰৱৰ্তী পঞ্চায়ত বৰ্ষৰ পৰা কাৰ্যকৰী হ'ব ।"

ধাৰা ১০৯ ৰ সংশোধন

৫। মূল অধিনিয়মত, ধাৰা ১০৯ ৰ সলনি, নিম্নলিখিত প্ৰতিস্থাপিত হ'ব, যথা:-

"গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ দ্বাৰা পশু খোৱাৰসমূহৰ বন্দৱস্তী

১০৯। (১) গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ সভাপতিয়ে সংশ্লিষ্ট কাৰ্য্যালয়ত নিবিদা আমন্ত্ৰণৰ জৰিয়তে গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰৰ সকলো পশু খোৱাৰ যথাবিহিত ধৰণে এক পঞ্চায়ত বৰ্ষৰ অনুৰূপ আৰু অনধিক কালৰ বাবে বন্দৱস্তী কৰিব ।

(২) তেনে নিবিদাসমূহ আমন্ত্ৰণ আৰু দাখিলৰ বিস্তৃত কাৰ্য্যপদ্ধতি যথাবিহিতভাৱে হ'ব ।

(৩) নিবিদাৰ পৰীক্ষা আৰু গ্ৰহণৰ চূড়ান্ত ক্ষমতা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ বাবে যথাক্ৰমে ধাৰা ২২ ৰ উপ-ধাৰা (১), ধাৰা ৫২ ৰ উপ-ধাৰা (১)ৰ খণ্ড (ক) আৰু ধাৰা ৮১ ৰ খণ্ড (ক) ত উল্লেখ কৰা স্থায়ী সমিতিসমূহৰ ওপৰত ন্যস্ত থাকিব ।

(৪) বন্দৱস্তীৰ কোনো বিবাদৰ ক্ষেত্ৰত, সংশ্লিষ্ট গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তসমূহে এনে গোচৰ জিলা পৰিষদলৈ প্ৰেৰণ কৰিব পাৰে আৰু জিলা পৰিষদ সমূহত বন্দৱস্তীৰ বিবাদৰ ক্ষেত্ৰত, এনে গোচৰ সেই চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে যাৰ সিদ্ধান্ত এই সন্দৰ্ভত চূড়ান্ত হ'ব:

পৰন্তু যেতিয়াই আৱশ্যক বুলি বিবেচিত হয়, তেতিয়া চৰকাৰে কোনো বিশেষ বন্দৱস্তীৰ বিষয়ত হস্তক্ষেপ কৰিব পাৰে আৰু এই সন্দৰ্ভত ইয়াৰ সিদ্ধান্ত চূড়ান্ত হ'ব।



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(৫) যথোচিত মূল্যৰ অভাৱত কোনো পশু খোৱাৰৰ বন্দৱস্তী ব্যৰ্থ হ'লে, পৰৱৰ্তী উচ্চতৰ নিকায়ে নিৰ্ণয় কৰা ধৰণে যথাক্ৰমে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদে তেনে পশু খোৱাৰৰ প্ৰত্যক্ষ পৰিচালনা সংশ্লিষ্ট গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ ওপৰত ন্যস্ত থাকিব।

(৬) (i) গাঁও পঞ্চায়তৰ পশু খোৱাৰসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন গাঁও পঞ্চায়তৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব:–

(ক) পশু খোৱাৰসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ পুঁজিলৈ হস্তান্তৰ কৰিব;

(খ) চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়ত পুঁজিলৈ হস্তান্তৰ কৰিব; আৰু

(গ) পশু খোৱাৰসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট চল্লিশ শতাংশ গাঁও পঞ্চায়তে ৰাখিব।

(ii) আঞ্চলিক পঞ্চায়তৰ পশু খোৱাৰসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন আঞ্চলিক পঞ্চায়তৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব :–

(ক) পশু খোৱাৰসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন, জিলা পৰিষদৰ পুঁজিলৈ হস্তান্তৰ কৰিব;

(খ) চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত সকলো গাঁও পঞ্চায়তক সমানে বিতৰণ কৰিব; আৰু

(গ) পশু খোৱাৰসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তে ৰাখিব।

(iii) জিলা পৰিষদৰ পশু খোৱাৰসমূহৰ বিক্ৰীৰ সকলো সমুৎপন্ন ধন জিলা পৰিষদৰ পুঁজিত জমা কৰা হ'ব আৰু ইয়াৰ পিছত উপবন্ধিত কৰা ধৰণে বিতৰণ কৰা হব:–

(ক) পশু খোৱাৰসমূহৰ বিক্ৰীৰ সৰ্বমুঠ সমুৎপন্ন ধনৰ চল্লিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ অধীনৰ সকলো আঞ্চলিক পঞ্চায়তক বিতৰণ কৰা হ'ব;

(খ) চল্লিশ শতাংশ জিলা পৰিষদৰ অধীনৰ সকলো গাওঁ পঞ্চায়তক সমানে বিতৰণ কৰা হ'ব; আৰু



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM

3604891/2025/PARL.AFFAIRS-PAD



(গ) পশু খোৱাৰসমূহৰ বিক্ৰীৰ সমুৎপন্ন ধনৰ অৱশিষ্ট বিশ শতাংশ জিলা পৰিষদে ৰাখিব।

(৭) (i) তৎসময়ৰ বাবে বলবৎ থকা কোনো বিধিত যিকোনো কথা থকা স্বত্বেও, ৰাজ্য চৰকাৰে এবছৰত ৫(পাঁচ) লাখ টকাতকৈ কম মূল্যৰ বন্দৱস্তীৰ চৰকাৰী পশু খোৱাৰসমূহ সেই গাঁও পঞ্চায়তক হস্তান্তৰ কৰিব যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত পশু খোৱাৰটো অৱস্থিত।

(ii) ৰাজ্য চৰকাৰে তেনেকুৱা চৰকাৰী পশু খোৱাৰসমূহ যাৰ এবছৰত ৫(পাঁচ) লাখ টকাৰ পৰা ১০(দহ) লাখ টকা পৰ্য্যন্ত বন্দৱস্তী মূল্যৰ হয় সেই আঞ্চলিক পঞ্চায়তক হস্তান্তৰ কৰিব যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত পশু খোৱাৰটো অৱস্থিত।

(iii) জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত বাৰ্ষিক ১০ (দহ) লাখ টকাতকৈ অধিক বন্দৱস্তী মূল্যৰ পশু খোৱাৰসমূহ জিলা পৰিষদে যথাবিহিত ধৰণেৰে এক পঞ্চায়ত বৰ্ষৰ অনুৰূপ আৰু অনধিক এক অৱধিৰ বাবে বন্দৱস্তী কৰিব। নিবিদাৰ পৰীক্ষা আৰু গ্ৰহণৰ চূড়ান্ত ক্ষমতা ধাৰা ৮১ৰ উপ-ধাৰা (১)ৰ খণ্ড (ক)-ৰ অধীনৰ স্থায়ী সমিতিৰ ওপৰত ন্যস্ত থাকিব:

পৰন্তু এই উপ-ধাৰাৰ অধীনৰ এটি হস্তান্তৰ তেনে আয়ৰ পৰৱৰ্তী পঞ্চায়ত বৰ্ষৰ পৰা কাৰ্যকৰী হ'ব।"

**গীতাঞ্জলী দাস শইকীয়া,**
সচিব, অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ, গুৱাহাটী-৬।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 853 - 100 + 10 - 13 - 06 - 2025. (visit at– dpns.assam.gov.in)



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:35 AM